আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, JANUARY 3, 2024>> 10 PM | www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, সংখ্যা ৯ | Guwahati, Assam ।। মূল্যঃ এটকা



- বাছখনৰ নাছিল ফিটনেছ-ইঞ্চুৰেন্স
- বছা ভৰলুৱা গাঁৱত একেলগে দাউদাউকৈ জ্বলিল ১১খনকৈ চিতা
- ভুল দিশেৰে আহিছিল অবৈধ কয়লা কঢ়িয়াই অনা ট্ৰাক
- দুয়োখন বাহনৰেই চালকৰ মৃত্যু

## চোৰা নহ’ল টিলিঙা মন্দিৰ, বগীবিলত খোৱা নহ’ল বনভোজ



## দেৰগাঁৱৰ শোকাৱহ দুৰ্ঘটনাত ১২ জন নিহত

# আধৰুতৱা ফ’ৰলেনত পুৱতি নিশা মৃত্যুৰ কিৰিলি

ই-সংবাদ, গোলাঘাট, ৩ জানুৱাৰীঃ আজি বছৰটোৰ তৃতীয়টো দিন আছিল! নৱবৰ্ষৰ উছাহ এতিয়াও মাৰ যোৱা নাই। কিন্তু নতুন বছৰৰ তৃতীয় দিনটোৱে প্ৰতিগৰাকী অসমীয়াৰ বুকুত সিঁচি থৈ গ’ল ভাষাৰে বুজাব নোৱাৰা বিষাদ। অসমীয়াৰ বাবে এটা অভিশপ্ত দিন হৈ নামি আহিল ৩ জানুৱাৰী। এই অভিশপ্ত দিনটোতে ৰাজপথত মৃত্যুৰ কোলাত শুই পৰিল বনভোজৰ আনন্দ লভিবলৈ যোৱা ১২ গৰাকীকৈ অসমীয়াই৷ অপ্ৰত্যাশিত এক ভয়াৱহ পথ ■ শেষাংশ ২নং পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা...

# আধৰুৱা ফ'ৰলেনত পুৱতি নিশা মৃত্যুৰ কিৰিলি

দুৰ্ঘটনাই সমগ্ৰ অসমখনকে স্তব্ধ কৰি পেলালে আজি। বছৰৰ পহিলা দিনটো আৰু দ্বিতীয় দিনটো ভাল-কুশলে পাৰ হৈছিল। ৰাজ্যবাসীয়ে ধৰ্মীয় স্থান, পিকনিকস্থলীত এসাজ খাই ৰং-ধেমালিত বিভোৰ হৈছিল। কিন্তু ৩ জানুৱাৰীৰ পুৱা অসমৰ ৰাজপথত মৃত্যুৰ কিৰিলি শুনা গ'ল। শিশুসহ ১২গৰাকী লোকৰ মৃত্যুৰ খবৰে মৰ্মাহত কৰি তুলিছে সকলোকে। কয়লা কঢ়িয়াই অনা ট্ৰাকৰ সৈতে পিকনিকলৈ বুলি ৰাওনা হোৱা এখন আল্ট্ৰা বাছৰ সংঘৰ্ষত নিমিষতে প্ৰাণ হেৰুৱায় এইসকল লোকে। এই ঘটনা সংঘটিত হৈছে গোলাঘাট জিলাৰ দেৰগাৰৰ বালিজানত। ৩ জানুৱাৰীৰ পুৱা প্ৰায় ৪ বাজি ২০ মিনিটত বালিজানৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এই মৰ্মান্তিক দুৰ্ঘটনা। প্ৰত্যক্ষদৰ্শীৰ মতে, ভুল পথেৰে আহি আছিল কয়লাভৰ্তি ১২ চকীয়া ট্ৰাকখন। সেই সময়তে বাছ আৰু ট্ৰাকখনৰ মাজত সংঘৰ্ষ ঘটাত সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হৈ পৰে বাছখন। ইফালে বাছৰ সৈতে সংঘৰ্ষৰ পিছত ট্ৰাকখনে নিয়ন্ত্ৰণহীন ঘাইপথৰ দাঁতিৰ এটা বিদ্যুতৰ খুঁটাত খুন্দা মাৰে। ভয়াবহ দুৰ্ঘটনাটোত দুয়োখন বাহনৰে চালক দুজনৰো মৃত্যু ঘটে। লগতে মৃত্যুক সাৱটি লয় পুৱাই বনভোজলৈ ওলাই অহা বাছখনৰ ১২ জন আন যাত্ৰীৰ। নিহত সকলৰ পৰিচয় প্ৰিঞ্চিপ্ৰিয়া বৰা (৭), নীহাৰিকা শইকীয়া (১০), শুভংকৰ শইকীয়া (১৩), ৰিংকী বৰা (১৮), অনিমা শইকীয়া (৬০), দীপালী শইকীয়া (৩৭), নৱজিৎ শইকীয়া (৪০), পিংকী শইকীয়া (৪৮), বাছ চালক মৃদুল বৰা (৩০), নিত্যানন্দ বৰা (৪৮), সোমেশ্বৰ বৰা (৪৩), ট্ৰকা চালক নুৰ আলম বুলি জানিব পৰা গৈছে। ইফালে দুৰ্ঘটনাৰ পিছতে স্থানীয় লোকসকলে ধুমুহাৰ গতিত উদ্ধাৰ অভিযান চলাই আহতসকলক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। পুৱাৰ এই দুৰ্ঘটনাই কাল অমানিশা নমাই আনিলে গোলাঘাটৰ বছা ভৰলুৱা গাঁৱলৈ। সেই গাঁওখনৰ পৰাই পুৱা যাত্ৰা আৰম্ভ কৰিছিল ৪৫ জন লোকে। লক্ষ্য আছিল প্ৰথম তিনিচুকীয়াৰ টিলিঙা মন্দিৰ, তাৰ পিছতে ডিব্ৰুগড়ৰ বগীবিল দলঙৰ তলত বনভোজৰ এসাজ। বনভোজলৈ বুলি ওলোৱা দলটোক লৈ পুৱতি নিশা প্ৰায় ৩ বজাতেই বছা ভৰলুৱা গাঁৱৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল এএছ-০২-এচি-৫৩৮৩ নম্বৰৰ আল্ট্ৰা বাছখনে। যাত্ৰাৰ মাত্ৰ এঘণ্টাৰ পিছতে সংঘটিত হ'ল দুৰ্ঘটনা। দেৰগাঁৱৰ বালিজানত এএছ-০১-পিচি-০৬৪৮ নম্বৰৰ ১২ চকীয়া ট্ৰাকখনৰ সৈতে যেতিয়া মুখামুখি সংঘৰ্ষ হৈছিল আল্ট্ৰা বাছখনৰ, সেই সময়ত দুয়োখন বাহনৰে গতিবেগ আছিল ৬০-৭০ কিলোমিটাৰ প্ৰতি ঘণ্টাত। সংঘৰ্ষৰ পিছতে চূৰ্ণ-বিচূৰ্ণ হৈ পৰিছিল বাছখনৰ সন্মুখভাগ। বাছৰ ভিতৰত বাঢ়িবলৈ আৰম্ভ কৰিছিল মৃত্যুৰ আৰ্তনাদ। সংঘৰ্ষৰ প্ৰচণ্ড শব্দ শুনি কাষ চাপি অহা স্থানীয় নিৱাসীসকলে ততাতৈয়াকৈ আৰম্ভ কৰিছিল উদ্ধাৰ অভিযান। এঘণ্টাৰ ভিতৰত আহি উপস্থিত হৈছিল আৰক্ষী আৰু এম্বুলেন্সো। কিন্তু তেতিয়ালৈকে মৃত্যুৰ কোলাত শুই পৰিছিল ১০ জন লোকে। আহতসকলক হাস্পতাললৈ নিয়া হয় যদিও হাস্পতাল পোৱাৰ পূৰ্বেই পুনৰ মৃত্যুক সাৱটে আন ২ জনে। স্থানীয় লোকসকলে ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰী সংস্থাই কাম আধৰুৱাকৈ ৰখাৰ বাবেই দুৰ্ঘটনাটো সংঘটিত হ'বলৈ পালে বুলি অভিযোগ কৰা দেখা গৈছে। অভিযোগ অনুযায়ী কাম সম্পূৰ্ণ নোহোৱা পথছোৱাত ডিভাইদাৰক লৈ কোনো স্পষ্ট নিৰ্দেশনা নিদিয়াত প্ৰায়ে চালকসকলে অসুবিধাৰ সন্মুখীন হৈ আহিছে। ইফালে সন্ধিয়া মতৃদেহ আহি পোৱাৰ পিছতে বছা ভৰলুৱা গাঁৱত সৃষ্টি হয় এক শোকাকুল পৰিস্থিতিৰ। স্থানীয় ৰাইজ আৰু প্ৰশাসনৰ সহযোগত নিশা গাঁওখনত দাউদাউকৈ জ্বলি উঠে ১১ জন লোকৰ চিতা। উল্লেখ্য যে দুৰ্ঘটনাটোত নিহত কয়লাৰ ট্ৰাকখনৰ চালক নুৰ আলমৰ ঘৰ হৈছে অভয়াপুৰীত। AS-01-PC-0648 নম্বৰৰ ট্ৰাকখনৰ গৰাকী নুৰ আলম নিজেই আছিল আৰু গাড়ীখনো নিজেই চলাইছিল। মাৰ্ঘেৰিটাৰ পৰা ট্ৰাকখন চলাই আহি থকাৰ সময়তে বনভোজকাৰীক কঢ়িয়াই অনা বাছৰ সৈতে খুন্দা লাগি নুৰ আলমৰ মৃত্যু হয়। অভয়াপুৰীৰ বেহুলাপাৰাৰ নুৰ আলমে ভাড়াৰ বাবে উজনি অসমলৈ গৈছিল। পত্নী আৰু দুই সন্তানক এৰি যোৱা নুৰ আলমৰ মৃত্যুৰ পাছতে অভয়াপুৰীৰ বেহুলাপাৰাত শোকৰ ছাঁ পৰিছে। আনহাতে, দুৰ্ঘটনাত পতিত এএছ-০২-এচি-৫৩৮৩ নম্বৰৰ 'ঈশান' নামৰ আলট্ৰা বাছখনক লৈ পোহৰলৈ আহিছে ন ন তথ্য। ২০১৫ চনত নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত পঞ্জীয়ন কৰা হোৱা বাছখনৰ নাছিল প্ৰয়োজনীয় নথি-পত্ৰ। দুৰ্ঘটনাত পতিত যাত্ৰীবাহী বাছখনৰ ফিটনেছৰ লগতে ২০২৩ চনৰ এপ্ৰিল মাহৰে পৰা ইঞ্চুৰেন্স ফেইল হৈ আছিল বুলিও জানিব পৰা গৈছে। এই দুৰ্ঘটনাৰ পাছতে পথচাৰীক সুৰক্ষিত কৰিবলৈ চৰকাৰে উপায় বিচাৰি নতুন এছঅ'পি জাৰি কৰিছে। নতুন এছঅ'পি অনুযায়ী, পিকনিকলৈ যোৱা বাছসমূহ সূৰ্যোদয়ৰ পাছত যাত্ৰা কৰিব পাৰিব আৰু সূৰ্যাস্তৰ আগতে গন্তব্যস্থানলৈ ঘূৰি আহিব লাগিব।

## দুৰ্ঘটনাত নিহতসকল

প্ৰিঞ্চিপ্ৰিয়া বৰা (৭),
নীহাৰিকা শইকীয়া (১০),
শুভংকৰ শইকীয়া (১৩),
ৰিংকী বৰা (১৮),
অনিমা শইকীয়া (৬০),
দীপালী শইকীয়া (৩৭),
নৱজিৎ শইকীয়া (৪০),
পিংকী শইকীয়া (৪৮),
বাছ চালক মৃদুল বৰা (৩০),
নিত্যানন্দ বৰা (৪৮),
সোমেশ্বৰ বৰা (৪৩),
ট্ৰাক চালক নুৰ আলম।

## দুৰ্ঘটনাত আহতসকল

প্ৰীতি শইকীয়া (৭),
অভিজিৎ বৰা (৬),
প্ৰাচুৰ্য শইকীয়া (৭),
চিন্ময় বৰা (১২),
নৱনীতা শইকীয়া (৩৪),
চিত্ৰলেখা বৰা (২৬),
বিজিত শইকীয়া (২৮),
অৰূপ শইকীয়া (৩৭),
বিতোপন বৰা (২৪),
ধ্ৰুৱজ্যোতি বৰা (১৮),
জোনালী বৰা শইকীয়া (৪৩), কৌশিক শইকীয়া (১৭), চিন্ময় বৰা (১২),
বুলু শইকীয়া (৪৭),
ৰুলী শইকীয়া বৰা (৩৫),
দীপ্তি শইকীয়া (১৭),
মৃদুল শইকীয়া (৪০),
মাধুৰ্য শইকীয়া (২৫),
ধ্ৰুৱজ্যোতি বৰা (২৭),
কুলুমণি শইকীয়া (৩৪),
অৰ্চনা শইকীয়াসহ (৪১)

# অবৈধ কয়লাৰ ট্ৰাকৰ বাবেই হ’ল নেকি দুৰ্ঘটনা? সৰৱ লুৰীণজ্যোতি গগৈ

**ই-সংবাদ, গুৱাহাটী, ৩ জানুৱাৰীঃ** গোলাঘাট জিলাৰ দেৰগাৱৰ বালিজানত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত গোলাঘাটৰ বছা ভৰলুৱা গাঁৱৰ ১৪গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ পাছতে অবৈধ কয়লাৰ চিণ্ডিকেটক লৈ প্ৰশ্ন উত্থাপন হৈছে৷ পিকনিকৰ বাছক ১২ চকীয়া কয়লা ভৰ্তি ট্ৰাকে খুন্দা মৰাৰ ফলত বাছখনৰ দুৰ্ভগীয়া ১৪গৰাকী লোকে অকালতে প্ৰাণ হেৰুওৱা ঘটনাৰ পাছতে বিৰোধী ৰাজনৈতিক দল আৰু সংগঠনে মাৰ্ঘেৰিটাৰ অবৈধ কয়লাৰ ব্যৱসায়ক লৈ প্ৰশ্ন উত্থাপন কৰিছে৷ যিখন ট্ৰাকে কয়লা কঢ়িয়াই আনিছিল সেই ট্ৰাকখনে মাৰ্ঘেৰিটাৰ পৰা অবৈধভাবে কয়লা কঢ়িয়াই আনিছিল নেকি তাকে লৈ প্ৰশ্ন উত্থাপন হৈছে৷ লগতে অসম আৰক্ষীয়ে দেখুৱাই অহা তৎপৰতাক লৈও প্ৰশ্ন উত্থাপন হৈছে৷ ৩১ ডিচেম্বৰৰ পৰা ২ জানুৱাৰীলৈকে ৰাজপথত বোন্দাপৰ দি থাকি অসম আৰক্ষীয়ে মদ্যপান কৰি গাড়ী চলোৱা লোকক চিনাক্ত কৰি জৰিমনা বিহিছে৷ ৰাজপথৰ পৰা অবৈধ কাম-কাজ ৰোধ কৰিবৰ বাবে তৎপৰ থাকে অসম আৰক্ষী৷ কিন্তু তেনে সময়তে এখন ১২ চকীয়া ট্ৰাকে অসম আৰক্ষীৰ চকুত ধুলি দি কেনেদৰে কয়লা কঢ়িয়াই আনি আছিল তাকে লৈ প্ৰশ্ন উত্থাপন হৈছে৷ অসম আৰক্ষীয়ে কয়লা দেখিলে মূৰ পোলোকা মাৰি কয়লা ব্যৱসায়ৰ সৈতে জড়িত প্ৰভাৱশালী লোকক চালাম কৰা নীতিতে চলি আছে বুলি অভিযোগ উত্থাপন হৈছে৷ আনহাতে বিৰোধী দল অসম জাতীয় পৰিষদো এই ক্ষেত্ৰত সৰৱ হৈছে৷ এই দুৰ্ঘটনাৰ পাছতে অবৈধ কয়লাৰ ব্যৱসায়ক লৈ চৰকাৰক তীব্ৰ আক্ৰমণ কৰিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে৷ লুৰীণজ্যোতি গগৈয়ে মাৰ্ঘেৰিটাৰ পৰা দেৰগাঁৱলৈ প্ৰায় ২৫০ কিলোমিটাৰ জোৰা দৈৰ্ঘ্যৰ পথ কয়লা কঢ়িয়াই অনা কাণ্ডক লৈ প্ৰশ্ন উত্থাপন কৰিছে৷ গগৈয়ে ফেচবুকত দিয়া এটা পোষ্টত চৰকাৰক প্ৰশ্ন সুধি কয় যে দেৰগাঁৱৰ বনভোজ দলৰ বাছখনৰ সৈতে সংঘৰ্ষ হোৱা ১২ চকীয়া ট্ৰাকখনত কঢ়িয়াই অনা কয়লাখিনি মাৰ্ঘেৰিটাৰ চোৰাং কয়লা নেকি? কয়লাখিনি যদি চোৰাং কয়লা, তেন্তে কাৰ আশীৰ্বাদপুষ্ট হৈ দীঘলীয়া পথছোৱা কয়লাবাহী ট্ৰাকখন পাৰ হৈ আহিল? অৰ্থাৎ, ইয়াৰ পৰাই ৰাজ্যত কয়লাৰ অবৈধ বেহা চলি থকাৰ কথাটো পুনৰবাৰ স্পষ্ট হৈ পৰিল৷ কয়লাৰ অবৈধ খননে অকল প্ৰাকৃতিক সম্পদৰ বিলুপ্তিকৰণ, জৈৱ-বৈচিত্ৰ্যকেই ধ্বংস কৰা নাই, এয়া এতিয়া মৃত্যুদূতলৈও পৰ্যবসিত হৈছে৷ আনহাতে অসমৰ জনগণৰ বৃহত্তৰ স্বাৰ্থত বিষয়টো মুখ্যমন্ত্ৰী আৰু অসম আৰক্ষীক স্পষ্ট কৰিবলৈ আমি দাবী জনাই গগৈয়ে৷

# দুৰ্ঘটনাৰ হাৰ যথেষ্ট বৃদ্ধি পাইছেঃ শ্যামকানু মহন্ত

**ই-সংবাদ, ৩ জানুৱাৰীঃ** চৰকাৰৰ সততে প্ৰশংসা কৰি অহা উদ্যোগী শ্যামকানু মহন্তই দেৰগাঁৱত সংঘটিত পথ দুৰ্ঘটনাক লৈ ক্ষোভ ব্যক্ত কৰিছে৷ দীৰ্ঘদিন ধৰি উজনি অসমৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ সমাপ্ত নোহোৱাত তেওঁ নিজেই ৰাস্তা হেৰুৱাই বুলি উল্লেখ কৰি নিৰ্মাণকাৰী সংস্থাক সমালোচনা কৰা দেখা গৈছে৷ সমানে দুৰ্ঘটনাৰ হাৰ অভাৱনীয়ভাবে বৃদ্ধি পাইছে বুলি কৈ চিন্তা ব্যক্ত কৰে শ্যামকানু মহন্তই৷ শ্যামকানু মহন্তই সামাজিক মাধ্যমত দিয়া এটা পোষ্টত কয় যে দেৰগাঁৱৰ বালিজানৰ পথ দুৰ্ঘটনাটো হঠাতে হোৱা ঘটনা নহয়। সমগ্ৰ অঞ্চলটোত দীৰ্ঘদিনজুৰি হাইৱে নিৰ্মাণৰ নামত 'কনফিউজড ৰোড চাইনেজ' দি পথচাৰীক বিভ্ৰান্ত কৰি অহা হৈছে। ফলত দুৰ্ঘটনাৰ হাৰ অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। এতিয়া কুঁৱলীৰ সময়ত পথছোৱা আৰু বেছি বিপদজনক হৈ পৰিছে। মই সেই ৰাস্তাটোৱে সঘনাই দেৰগাঁও, টিয়ক হৈ শিৱসাগৰলৈ যাওঁ। কেতিয়াবা গাড়ী চলাই আহি থাকোতে সদায় পৰিচিত ৰাস্তাটোত মই নিজেই বাট হেৰুৱাও। আমিয়েই যেতিয়া বিভ্ৰান্তিত পৰো, তেনেকুৱাত হঠাতে গাড়ী চলাবলৈ শিকা পিলিঙা বাছ ড্ৰাইভাৰ নাইবা এটুপি ধৰি অহা এজনৰ কি অৱস্থা হ’ব? পৰিবহন বিভাগক অনুৰোধ জনাম যে অনুগ্ৰহ কৰি NHIDCLৰ লগত কথা পাতি সংকেতবোৰ ভালকৈ দিয়াৰ ব্যৱস্থা কৰক। নামনিৰ ৰাস্তাবোৰ হ'ল, কিন্তু উজনিৰ দেৰগাঁও-যোৰহাট-টিয়ক-শিৱসাগৰ এই ৰাস্তাবোৰৰ নিৰ্মাণ কিয় শেষ নহয়। আমাৰ এমএলএ কেইজনে ব্যাপক প্ৰতিবাদ কৰা উচিত। সোনকালে ৰাস্তা ঠিক নকৰিলে বালিজানৰ নিচিনা ঘটনা এইকেইদিনত বৃদ্ধি পাব বুলিও নিজৰ ফেচবুক পোষ্টত উল্লেখ কৰিছে মহন্তই।

# দুৰ্ঘটনাত পতিত বাছখনৰ নাছিল বীমা, ফিটনেছ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ জানুৱাৰীঃ** দেৰগাঁৱত দুৰ্ঘটনাত পতিত এএছ-০২-এচি-৫৩৮৩ নম্বৰৰ 'ঈশান' নামৰ আলট্ৰা বাছখনক লৈ পোহৰলৈ আহিছে ন ন তথ্য। ২০১৫ চনত নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত পঞ্জীয়ন কৰা হোৱা বাছখনৰ নাছিল প্ৰয়োজনীয় নথি-পত্ৰ। ফিটনেছৰ লগতে আৰু ২০২৩ চনৰ এপ্ৰিল মাহৰে পৰা ইঞ্চুৰেঞ্চ ফেইল হৈ আছিল বুলিও জানিব পৰা গৈছে। পৰিবহণ বিভাগ চৌদিশে অভিযান চলাই অহা বুলি দাবী কৰাৰ সময়তে ফিটনেছ আৰু ইঞ্চুৰেঞ্চ নোহোৱাকৈ প্ৰায় ৯ বছৰ পুৰণি যাত্ৰীবাহী বাছখন কিদৰে ৰাজপথত চলাচল কৰি আছিল বুলিও এতিয়া প্ৰশ্ন উত্থাপিত হৈছে।

## বিতৰ্কিত আইনক লৈ আলোচনা কৰিবলৈ সন্মত কেন্দ্ৰ

# চালকৰ আংশিক জয়! স্থিতি সলনি হ'ল মোদী চৰকাৰৰ

**নতুন দিল্লী, ৩ জানুৱাৰীঃ** ঐক্যবদ্ধ আন্দোলনক ভয় কৰে নৰেন্দ্ৰ মোদী চৰকাৰে৷ কৃষক আন্দোলনৰ পাছতে আন এক আন্দোলনে এই কথাকে প্ৰমাণ কৰিলে৷ কৃষক আন্দোলনৰ পাছতে কেন্দ্ৰীয় চৰকাৰে তিনি ক'লা আইন বাতিল কৰিবলৈ বাধ্য হৈছিল৷ এইবাৰ চালকক ভয় কৰি কেন্দ্ৰীয় চৰকাৰে স্থিতি সলনি কৰিবলৈ বাধ্য হৈছে৷ দুটা দিন প্ৰবল আন্দোলন কৰাৰ পাছতে চালকসকলৰ দাবীক লৈ বিচাৰ-বিবেচনা কৰিবলৈ বাধ্য হ'ল নৰেন্দ্ৰ মোদী চৰকাৰ৷ চালকসকলে দেশৰ কেইবাখনো ৰাজ্যত অচলাৱস্থাৰ সৃষ্টি কৰাৰ সময়তে কেন্দ্ৰীয় চৰকাৰ শিৰনত কৰিবলৈ বাধ্য হৈছে৷ ভাৰতীয় ন্যায় বিধিৰ নতুন সংহিতা ব্যৱস্থাত দেশৰ চালকৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছে৷ যাৰ ফলত সমগ্ৰ দেশৰ চালকে জৰিমনা আৰু কাৰাবাসৰ ব্যৱস্থা বাতিল কৰিবলৈ আন্দোলন আৰম্ভ কৰে৷ 'হিট এণ্ড ৰান' গোচৰত নতুন জৰিমনা ব্যৱস্থাৰ বিৰুদ্ধে ট্ৰাক চালকসকলে দেশজুৰি প্ৰতিবাদ কৰাৰ ফলত কেইবাখনো ৰাজ্যত ইন্ধন আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনী হয়৷ তাৰ পাছতে কেন্দ্ৰীয় চৰকাৰে স্থিতি নমনীয় কৰি আলোচনাত বহিবলৈ বাধ্য হয়৷ কেন্দ্ৰীয় চৰকাৰে সৰ্বভাৰতীয় মটৰ পৰিবহন কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বক মাতি নি এই আইন এতিয়াও কাৰ্যকৰী কৰা হোৱা নাই বুলি দাবী কৰিছে৷ কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগে কয় যে এই আইন এতিয়ালৈ কাৰ্যকৰী হোৱা নাই৷ মটৰ পৰিবহন সংগঠনৰ সৈতে আলোচনা কৰাৰ অন্ততহে এই আইন কাৰ্যকৰী কৰিব বুলি উল্লেখ কৰি চালকসকলক আন্দোলন পৰিহাৰ কৰিবলৈ আহ্বান জনায়৷ জানিব পৰা মতে, গৃহ সচিব অজয় কুমাৰ ভল্লাৰ সৈতে সৰ্বভাৰতীয় মটৰ পৰিবহন কংগ্ৰেছে বৈঠকত মিলিত হয়৷ বৈঠকৰ আশ্বাস লাভ কৰি সৰ্বভাৰতীয় মটৰ পৰিবহন কংগ্ৰেছৰ সদস্য অমৰিক সিঙে কয় যে ইউনিয়নৰ দ্বাৰা ধৰ্মঘটৰ কোনো আহ্বান কৰা হোৱা নাই। চালকসকলে নতুন ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। বৈঠকৰ পিছত বিষয়টো সমাধান কৰা হৈছে। সমগ্ৰ দেশৰ পৰিবহনকাৰী সংগঠনবোৰে নতুন সংহিতাৰ ব্যৱস্থাৰ বিৰুদ্ধে যোৱা দুদিন ধৰি প্ৰতিবাদ কৰি আহিছে৷ নতুন সংহিতাত কোৱা হৈছে যে যদি চালক এজনে অৱহেলাপূৰ্ণভাৱে গাড়ী চলোৱাৰ ফলত কোনো লোকৰ মৃত্যু হয় আৰু ঘটনাস্থলীৰ পৰা পলায়ন কৰে তেন্তে চালকক ১০ বছৰ কাৰাবাস বা ৭ লাখ টকাৰ জৰিমনা লৈকে কাৰাদণ্ড দিয়া হ'ব। পূৰ্বে ভাৰতীয় দণ্ডবিধিত (আইপিচি) হিট-এণ্ড-ৰাণ গোচৰৰ কোনো নিৰ্দিষ্ট কাৰাদণ্ডৰ ব্যৱস্থা নাছিল আৰু মৃত্যুৰ ধাৰাৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল৷ যাৰ বাবে সৰ্বাধিক দুবছৰৰ কাৰাদণ্ড ব্যৱস্থা আছিল। বৈঠকৰ পাছতে সৰ্বভাৰতীয় মটৰ পৰিবহন কংগ্ৰেছৰ প্ৰতিনিধিসকলে বিভিন্ন ৰাজ্যৰ আন্দোলনকাৰীসকলক আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়৷ গৃহ সচিব অজয় কুমাৰ ভল্লাই সাংবাদিকক কয় 'আমি বিএনএছ ১০৬(২)ত ১০ বছৰৰ শাস্তি আৰু জৰিমনা বিহা সম্পৰ্কে চালকসকলৰ মাজত থকা আশংকাক লৈ বিবেচনা কৰিছো৷ সৰ্বভাৰতীয় মটৰ পৰিবহন কংগ্ৰেছৰ প্ৰতিনিধিসকলৰ সৈতে বিষয়টো বিতংভাৱে আলোচনা কৰিছো। চৰকাৰে ক'ব বিচাৰে যে এই নতুন ব্যৱস্থা আৰু আইনসমূহ এতিয়াও কাৰ্যকৰী কৰা হোৱা নাই। বিএনএছ 106(2) ৰূপায়ণ সম্পৰ্কীয় সিদ্ধান্ত সৰ্বভাৰতীয় মটৰ পৰিবহন কংগ্ৰেছৰ সৈতে আলোচনাৰ পিছতহে লোৱা হ'ব। আমি সৰ্বভাৰতীয় মটৰ পৰিবহন কংগ্ৰেছ আৰু সকলো চালকক কামলৈ উভতি যাবলৈ অনুৰোধ জনাইছো। সৰ্বভাৰতীয় মটৰ পৰিবহন কংগ্ৰেছৰ সদস্য বাল মালকিত সিঙে কয় যে যিসকলে সুৰাপান কৰে আৰু গাড়ী চলায় বা যিসকলে খৰখেদাকৈ গাড়ী চলায় তেওঁলোকৰ সৈতে নম্ৰতাৰে মোকাবিলা কৰা উচিত বুলি আমি দাবী কৰা নাই। কিন্তু এনে বহু ঘটনা ঘটে য'ত চালকসকলে কোনো দোষ নোহোৱাকৈ দুৰ্ঘটনাৰ সময়ত ভুক্তভোগী হয়৷ মানুহৰ ভিৰে তেওঁলোকক প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰে। কেতিয়াবা জনতাই আনকি বাহন জ্বলাই দিয়ে আৰু চালকসকলে জীৱন ৰক্ষা কৰিবলৈ দৌৰি পলাবলগীয়া হয় বুলিও কয় বাল মালকিত সিঙে৷ বাল মালকিত সিঙে আৰু কয় যে এখন ট্ৰাকৰ মূল্য ৫০ লাখ টকা৷ কিন্তু ই প্ৰায়ে কোটি টকাৰ সামগ্ৰী কঢ়িয়াই আনে৷ কোনো চালকে মূৰ্খৰ দৰে কাৰ্গো এৰি যাব বিচাৰিব নেকি? চালকসকলে জানে যে দুৰ্ঘটনাৰ পাছত তেওঁলোকক বিচাৰি উলিয়াব পাৰি৷ বেছিভাগ সময়ত চালকসকলে ঘূৰি গৈ নিজেই আত্মসমৰ্পণ কৰে। চৰকাৰৰ এই সিদ্ধান্তৰ দ্বাৰা দ্বাৰা এটা কথা প্ৰমাণ হ'ল যে পূৰ্বৰ কৃষি আইনৰ দৰে এইখন আইনো চৰকাৰে নিজ ইচ্ছা মতে তৈয়াৰ কৰিছে৷ কোনো পক্ষৰ সৈতে বিচাৰ-বিবেচনা কৰা নাছিল৷ পূৰ্বে তিনি ক'লা কৃষি আইনো তেনেদৰে সদনত গৃহীত কৰিছিল৷ কিন্তু কৃষকে দেশজুৰি বিশেষকৈ দিল্লী, হাৰিয়ানা, পঞ্জাৱত ১৮ মাহ প্ৰতিবাদ কৰাৰ অন্তত কেন্দ্ৰীয় চৰকাৰে ক'লা আইন আখ্যা পোৱা কৃষি আইন বাতিল কৰাৰ ঘোষণা কৰে৷

> **"ঐক্যবদ্ধ আন্দোলনক ভয় কৰে নৰেন্দ্ৰ মোদী চৰকাৰে৷ কৃষক আন্দোলনৰ পাছতে আন এক আন্দোলনে এই কথাকে প্ৰমাণ কৰিলে৷ কৃষক আন্দোলনৰ পাছতে কেন্দ্ৰীয় চৰকাৰে তিনি ক'লা আইন বাতিল কৰিবলৈ বাধ্য হৈছিল৷"**

## তদন্ত এছআইটিলৈ স্থানান্তৰৰ আবেদন খাৰিজ

# হিণ্ডেনবাৰ্গ গোচৰত আদানি গোটক সকাহ সৰ্বোচ্চ আদালতৰ

**নতুন দিল্লী, ৩ জানুৱাৰীঃ** বিজেপি দল আৰু চৰকাৰৰ অতি ঘনিষ্ঠ গৌতম আদানীক বৃহৎ সকাহ দিছে উচ্চতম ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ে বুধবাৰে কয় যে হিণ্ডেনবাৰ্গ গোচৰত চিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড অফ ইণ্ডিয়া চমুকৈ ছেবিৰ বাহিৰে আন কোনো সংস্থাৰ তদন্তৰ সন্মুখীন হোৱাৰ প্ৰয়োজন নাই আদানি গ্ৰুপ। উচ্চতম ন্যায়ালয়ৰ এই সিদ্ধান্তক আদানি গ্ৰুপৰ বাবে বৃহৎ সকাহ হিচাপে বিবেচনা কৰা হৈছে। আমেৰিকান বিত্তীয় প্ৰতিষ্ঠান হিণ্ডেনবাৰ্গৰ প্ৰতিবেদনত উত্থাপন কৰা অভিযোগৰ তদন্তৰ দায়িত্ব প্ৰদান কৰা হৈছিল ছেবিক। উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ পাছতে বুধবাৰে শ্বেয়াৰ বজাৰত আদানি গ্ৰুপৰ কোম্পানীসমূহৰ শ্বেয়াৰৰ মূল্য বৃদ্ধি পায়। আদানি এনাৰ্জীয়ে ৯.১ শতাংশ, আদানি মুঠ ৭.১ শতাংশ, আদানি গ্ৰীণে ৫.৫ শতাংশ আৰু আদানি এণ্টাৰ প্ৰাইজেছত ২.৬ শতাংশ বৃদ্ধি পাইছে। প্ৰতিবেদন প্ৰকাশ পোৱাৰ পাছতে আদানীৰ কোম্পানীৰ শ্বেয়াৰ তীব্ৰ গতিত হ্ৰাস পাইছিল। আদানি গ্ৰুপৰ কোম্পানীসমূহৰ বজাৰ মূল্য ১৫০ বিলিয়ন ডলাৰ হ্ৰাস পাইছিল। অৱশ্যে, শেহতীয়া মাহবোৰত আদানী গ্ৰুপৰ প্ৰতি বিনিয়োগকাৰীৰ আত্মবিশ্বাস ঘূৰি আহিছে। আদানি গ্ৰুপৰ কোম্পানীৰ সৈতে সম্পৰ্কিত হিণ্ডেনবাৰ্গ প্ৰতিবেদনৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে লোৱা সিদ্ধান্তৰ পাছতে বিৰোধী কংগ্ৰেছ দলে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে উচ্চতম ন্যায়ালয়ে দিয়া সময়ৰ ভিতৰত ভাৰতীয় চিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ডে চমুকৈ চমুকৈ ছেবিয়ে বিষয়টোৰ তদন্ত সম্পূৰ্ণ কৰিব। অৱশ্যে, কংগ্ৰেছ দলে ইয়াকো কয় যে ছেবিৰ ট্ৰেক ৰেকৰ্ডে বিশ্বাস কৰিবলৈ অনুপ্ৰাণিত নকৰে। কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ মনীষ তিৱাৰীয়ে কয় 'মই উচ্চতম ন্যায়ালয়ৰ ৰায় বিতংভাৱে পঢ়া নাই, কিন্তু তেওঁলোকে ছেবিক দুমাহৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰিবলৈ কৈছে। সঁচা কথাটো হ'ল যে হিণ্ডেনবাৰ্গৰ প্ৰতিবেদনত উত্থাপিত অভিযোগসমূহ এবছৰ আগতে ৰাজহুৱা কৰা হৈছিল। যদি ছেবি সতৰ্ক হৈ জোৰ তদন্ত কৰিছিল, তেন্তে তদন্ত বহু আগতে সম্পূৰ্ণ হ'লহেঁতেন। গৌতম আদানীয়ে হিণ্ডেনবাৰ্গ গোচৰত উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তক লৈ এক্সত গৌতম আদানীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে অৱশেষত সত্যই প্ৰাধান্য পাইছে। গৌতম আদানীয়ে কয় ‘‘সন্মানীয় উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তই প্ৰমাণ কৰিছে যে সত্যৰ জয় হৈছে। সত্যমেৱ জয়তে। যিসকলে আমাৰ কাষত থিয় দিছে তেওঁলোকৰ প্ৰতি মই কৃতজ্ঞ। ভাৰতৰ উন্নয়ন যাত্ৰাত আমাৰ ক্ষুদ্ৰ অৱদান অব্যাহত থাকিব। জয় হিন্দ।' আদানি গ্ৰুপৰ অধিবক্তা সিদ্ধাৰ্থ লুথৰাই কয় 'যিহেতু উচ্চতম ন্যায়ালয়ে মত প্ৰকাশ কৰিছে যে ছেবিৰ প্ৰতিবেদনত ২২টা লেনদেনৰ ভিতৰত ২০টা পোৱা গৈছে। মোৰ দৃষ্টিত, ই নিশ্চিতভাৱে আদানিৰ বাবে ক্লিন চিট আৰু এতিয়া কোনো সন্দেহ নাই। জ্যেষ্ঠ অধিবক্তা মুকুল ৰোহতগীয়ে কয় আদালতে ছেবি তদন্তৰ ওপৰত নিৰ্ভৰ কৰিছে। আদালতে কৈছে যে আদালতৰ ছেবিৰ ওপৰত বিশ্বাস আছে আৰু চাৰিখন আৱেদনত বিচৰা ধৰণে চিবিআই বা আৰক্ষীৰ তদন্ত অনুমোদন নকৰে। আৰু কোনো অনুসন্ধান আৰম্ভ কৰিবলৈ প্ৰয়োজনীয় পৰামৰ্শ দিয়াৰ বাবে কোনো তথ্য পোৱা হোৱা নাই। উচ্চতম ন্যায়ালয়ে বুধবাৰে আমেৰিকাৰ সংস্থা হিণ্ডেনবাৰ্গ গ্ৰুপে প্ৰকাশ কৰা এক প্ৰতিবেদনত আদানি গোটৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ ভিত্তিত তদন্ত ছেবিৰ পৰা এছআইটিলৈ স্থানান্তৰ কৰাৰ আবেদন খাৰিজ কৰে। শীৰ্ষ ন্যায়ালয়ে কয় যে আবেদনকাৰীসকলে তদন্তৰ দায়িত্ব স্থানান্তৰ কৰাৰ কোনো কাৰণ প্ৰদান কৰিব নোৱাৰিলে। মুখ্য ন্যায়াধীশ ডি.ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত তিনিজনীয়া বিচাৰপীঠে কয় যে আদানি গোটৰ সৈতে সম্পৰ্কিত ২২টা গোচৰৰ ভিতৰত ২০টাৰ ছেবিয়ে তদন্ত সম্পূৰ্ণ কৰিছে। উচ্চতম ন্যায়ালয়ে ছেবিক তিনি মাহৰ ভিতৰত বাকী দুটা গোচৰৰ তদন্ত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। ন্যায়ালয়ে ছেবিক হিডেনবাৰ্গে কোনো আইন উলংঘা কৰিছে নেকি তদন্ত কৰিবলৈ নিৰ্দেশ দিছে। যাৰ ফলত ভাৰতীয় বিনিয়োগকাৰীৰ ক্ষতি হৈছিল। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে ৰায় দি কয় যে দৃঢ় প্ৰমাণ অবিহনে, তৃতীয় পক্ষৰ প্ৰতিবেদন বা কোনো প্ৰতিষ্ঠানৰ সংবাদক বিশ্বাস কৰিব নোৱাৰি। তেওঁলোকৰ ওচৰত কোনো দৃঢ় প্ৰমাণ নাই। আমেৰিকান বিত্তীয় প্ৰতিষ্ঠান হিণ্ডেনবাৰ্গে আদানি গোটৰ দুৰ্নীতিক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছিল। 'আদানি গ্ৰুপঃ হাউ দ্য ৱৰ্ল্ডছ থৰ্ড ৰিচেষ্ট মেন ইজ পুলিং দা লাউণ্ট দ্য লাৰ্জেষ্ট কন ইন কৰ্পোৰেট হিষ্ট্ৰি' শীৰ্ষক প্ৰতিবেদনত যোৱা বছৰৰ ২৪ জানুৱাৰীত প্ৰকাশ পাইছিল। দুদিন পিছত ২৭ জানুৱাৰীত গৌতম আদানিৰ কোম্পানী শ্বেয়াৰ বজাৰত ধৰাশায়ী হৈছিল। ২০ হাজাৰ কোটি টকাৰ ক্ষতি হৈছিল। আদানি গ্ৰুপক ৪৪টা প্ৰশ্ন সোধা হৈছিল। প্ৰতিবেদনখনত কোৱা হৈছিল যে কৰফাকি দিবলৈ মৰিচাছ আৰু বহু কেৰিবিয়ান দেশক ব্যৱহাৰ কৰা হৈছিল। এই দেশবোৰত জমা বা ব্যৱসায় কৰা ধনৰ উৎস প্ৰকাশ কৰাৰ প্ৰয়োজন নাই। এই দেশবোৰত অতি কম বা কোনো কৰ নাই। এই দেশবোৰত বহু শ্বেল কোম্পানী আছে যাৰ অংশ আদানি গ্ৰুপৰ কোম্পানীবোৰৰ হাতত আছে। প্ৰতিবেদনখনত সোধা হৈছিল যে গৌতম আদানিৰ সৰু ভাতৃ ৰাজেশ আদানিক কিয় গোটৰ এমডি কৰা হৈছিল। উল্লেখ্য যে, ৰাজেশ আদানিৰ বিৰুদ্ধে শুল্ক কৰ ফাঁকি, আমদানি সম্পৰ্কীয় ভুৱা নথি পত্ৰ প্ৰস্তুত কৰা আৰু অবৈধ কয়লা আমদানি কৰাৰ দৰে একাধিক অভিযোগ উত্থাপন হৈছিল।

# দেৰগাঁও কাণ্ডৰ পিছতে থৰকাছুটি হেৰুৱাইছে ৰাজ্যৰ কেইবাটাও বিভাগে

## আৰক্ষী-বন বিভাগৰ ভূমিকাক লৈ প্ৰশ্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ জানুৱাৰীঃ** দেৰগাঁৱত সংঘটিত শোকাৱহ দুৰ্ঘটনাই ১৪ গৰাকী লোকৰ প্ৰাণ কাঢ়ি নিয়াৰ পিছতে এই সমগ্ৰ ঘটনাটোক লৈ জোকাৰণিৰ সৃষ্টি হৈছে বিভিন্ন মহলত। বিশেষকৈ কাৰ ভুলৰ বাবে নৱবৰ্ষৰ তৃতীয়টো দিনতে এনে ভয়ংকৰ ঘটনা ঘটিবলৈ পালে তাক লৈ চলিছে সৰৱ চৰ্চা। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী সংস্থাৰ গাফিলতি অথবা শীতকালীন প্ৰাকৃতিক কাৰণতে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অনুমান কৰা হৈছে যদিও কোনো পক্ষই ইয়াৰ নিশ্চয়তা প্ৰদান কৰা নাই। ইয়াৰ সমান্তৰালকৈ চৰ্চা চলিছে আৰক্ষী আৰু বন বিভাগৰ লোকৰ ভূমিকাৰ ওপৰতো। প্ৰসংগক্ৰমে উল্লেখ্য যে দুৰ্ঘটনাগ্ৰস্ত ট্ৰাকখনে লিডুৰ পৰা কয়লা অভাৰলোড কৰি আনি আছিল বুলি অভিযোগ উঠিছে। যি সময়ত বন বিভাগৰ তৰফৰ পৰা কয়লাৰ অবৈধ খনন হোৱা নাই বুলি দাবী কৰি আহিছে, সেই সময়তে এনেদৰে নিশা ট্ৰাকত কয়লাৰ সৰবৰাহক লৈও প্ৰশ্ন উত্থাপিত হৈছে বিভিন্ন মহলত। আনহাতে লিডুৰ পৰা দেৰগাঁৱলৈ প্ৰায় দুশ-আঢ়ৈশ কিল'মিটাৰ অভাৰলোড ট্ৰাক এখন কিদৰে কেইবাখনো আৰক্ষী আৰু বন বিভাগৰ চকীৰ সন্মুখেৰে পাৰ হৈ আহিল সেয়াও ৰহস্যজনক বিষয় হৈ পৰিছে। এইক্ষেত্ৰত গোপনে কয়লাৰ সৰবৰাহৰ ক্ষেত্ৰত বন বিভাগ আৰু আৰক্ষীৰো কোনো পক্ষ জড়িত হৈ আছে নেকি সেই কথা বিচাৰ্যৰ বিষয় হৈছে। ৰাজপথত সুৰাপায়ী চালক তথা যান-বাহনৰ নথি-পত্ৰ পৰীক্ষাৰ নামত সততে তৎপৰতা দেখুওৱা আৰক্ষী তথা পৰিবহণ বিভাগে নিশাৰ ভাগত চলাচল কৰা ট্ৰাক, ডাম্পাৰৰ ক্ষেত্ৰত প্ৰয়োজনীয় তৎপৰতা প্ৰদৰ্শন কৰিলে এই ভয়াৱহ ঘটনা সংঘটিত নহ'লহেঁতেন বুলি ভৱাৰ যথেষ্ট অৱকাশ আছে। ইফালে ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ নামত নিৰ্মাণকাৰী সংস্থাৰ কামৰ নমুনাতো ক্ষোভিত হৈ পৰিছে ৰাইজ। ঘাইপথ সম্প্ৰসাৰণ আৰু মেৰামতি কৰাৰ ক্ষেত্ৰত একাংশ নিৰ্মাণকাৰী সংস্থাৰ কোনো অভিজ্ঞসম্পন্ন ছুপাৰভাইজাৰ অথবা বিষয়া নিৰ্মাণ ক্ষেত্ৰত উপস্থিত নাথাকি কেৱল বনুৱাৰ দ্বাৰা কাম সম্পন্ন কৰাৰ বাবেও সময়ে সময়ে ডাঙৰ দুৰ্ঘটনা সংঘটিত হৈ আহিছে বুলি একাংশই মন্তব্য কৰে। বিভাগীয় নিয়ম অনুসৰি ঘাইপথ নিৰ্মাণৰ বাবে নিৰ্মাণ কাৰ্য চলি থকা সময়ত উপযুক্ত ফলক লগাব লাগে যদিও নিৰ্মাণকাৰী সংস্থাৰ একাংশ দায়িত্ববাহী বিষয়াই নিজে উপস্থিত নাথাকি এই স্পৰ্শকাতৰ বিষয়টোও বনুৱাৰ ওপৰতে এৰি দিয়াত এনে দুৰ্ঘটনাৰ অন্যতম কাৰণ বুলি চৰ্চা চলিছে। আজিৰ এই দুৰ্ঘটনাই এনেবোৰ দিশ উদঙাই দিয়াৰ পিছত সম্প্ৰতি থৰকাছুটি হেৰুৱাইছে বিভিন্ন বিভাগৰ দায়িত্ববাহী বিষয়াই। একেদৰে ভুক্তভোগী পৰিয়ালে সমগ্ৰ বিষয়টোৰ ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্ত কৰি সোনকালে তদন্তৰ প্ৰতিবেদন ৰাজহুৱা কৰাৰ দাবী জনাইছে। উল্লেখ্য যে দিনদিয়েক পূৰ্বে ধাৰাপুৰতো তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত প্ৰাণ হেৰুৱাইছিল সাংস্কৃতিক সাংবাদিক পাৰ্থজ্যোতি দাসে।

# বেইৰুটত ইজৰাইলৰ চাৰ্জিকেল ষ্ট্ৰাইকত হামাচৰ উপ-প্ৰধান চালেহ নিহত

**বেইৰুট, ৩ জানুৱাৰীঃ** ইজৰাইল আৰু পেলেষ্টাইনৰ মাজত যুদ্ধৰ বাবে গাজাত ভয়াৱহ পৰিস্থিতি অব্যাহত থকাৰ সময়তে ইজৰাইলে লেবাননৰ ৰাজধানী বেইৰুটত হামাচৰ উপ-প্ৰধান চালেহ আল-আৰুৰীক হত্যা কৰিছে। লেবাননৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি হামাচৰ উপ-মুৰব্বী চালেহ আল-আৰুৰী বেইৰুটৰ দক্ষিণত ড্ৰোন আক্ৰমণত নিহত হৈছে। আৰুৰিৰ উপৰিও এই আক্ৰমণত আৰু ছয়জন লোক নিহত হৈছে। যাৰ ভিতৰত দুজন হামাচৰ সামৰিক কমাণ্ডাৰ আৰু আন চাৰিজন হামাচৰ সদস্য আছিল। আৰুৰী কেৱল হামাচৰ সশস্ত্ৰ কাচাম ব্ৰিগেডৰ এজন গুৰুত্বপূৰ্ণ নেতাই নহয়, হামাচৰ মুৰব্বী ইছমাইল হানিয়াৰ ঘনিষ্ঠ সহযোগী বুলিও গণ্য কৰা হয়। ইজৰাইলৰ কব্জাৰ পৰা গাজাক পুনৰ উদ্ধাৰৰ বাবে প্ৰয়াস কৰি থকাৰ সময়েত ইজৰাইলী সেনাৰ আক্ৰমণত হামাচৰ নেতা নিহত হৈছে। লেবানন চৰকাৰে এই হত্যাকাণ্ডৰ তদন্ত ঘোষণা কৰি হত্যাকাৰীক শাস্তি দিয়াৰ ঘোষণা কৰিছে। লেবাননৰ প্ৰধানমন্ত্ৰীয়ে ইজৰাইলৰ বিৰুদ্ধে যুদ্ধত লেবাননকো টানি অনাৰ অভিযোগ উত্থাপন কৰিছে। প্ৰত্যুত্তৰত ইজৰাইলে কয় যে এই আক্ৰমণত হামাচৰ উপ-প্ৰধানৰ মৃত্যু লেবাননৰ ওপৰত হোৱা আক্ৰমণ নহয়। ইজৰাইলৰ এজন মুখপাত্ৰই কয় যে হামাচক নেতৃত্ব দিয়া চালেহ আল-আৰুৰীৰ বিৰুদ্ধে চাৰ্জিকেল ষ্ট্ৰাইক চলোৱা হৈছিল। এই চাৰ্জিকেল ষ্ট্ৰাইকত আৰুৰী নিহত হৈছে। হামাচে এই আক্ৰমণক তীব্ৰ গৰিহণা দিছে। হিজবুল্লাহ আৰু হামাচৰ মাজত সম্পৰ্ক গঢ়ি উঠাৰ সময়তে হিজবুল্লাহই এই আক্ৰমণক লেবাননৰ সাৰ্বভৌমত্বৰ ওপৰত আক্ৰমণ বুলি অভিহিত কৰিছে।

## জেনেৰেল চোলেমানিৰ মৃত্যু বাৰ্ষিকী অনুষ্ঠানত এই ঘটনা

# ইৰাণৰ কেৰমান প্ৰদেশত ভয়াৱহ বিস্ফোৰণত ১০৩ জন নিহত

**তেহৰান, ৩ জানুৱাৰীঃ** ইৰাণৰ কেৰমান প্ৰদেশত সংঘটিত বিস্ফোৰণত নিহতৰ সংখ্যা ১০৩ জনলৈ বৃদ্ধি পাইছে৷ ইৰাণ ৰিভলিউচনৰী গাৰ্ডছৰ জেনেৰেল কাচেম চোলেমাণিৰ সমাধিত চতুৰ্থ মৃত্যু বাৰ্ষিকী পালন কৰি থকাৰ সময়তে সংঘটিত বিস্ফোৰণত এই পৰ্যন্ত ১০৩ জন লোকে প্ৰাণ হেৰুৱাইছে বুলি আন্তঃৰাষ্ট্ৰীয় সংবাদমাধ্যমে দাবী কৰিছে৷ ইৰাণৰ সংবাদ মাধ্যমৰ খবৰ অনুসৰি চোলেমানিৰ হত্যাৰ চতুৰ্থ বাৰ্ষিকী উদযাপনত কেইবাটাও বিস্ফোৰণ সংঘটিত হৈছিল। কমেও ৬০ জন লোক আহত হৈছে৷ ৰাষ্ট্ৰীয় সম্প্ৰচাৰ এজেন্সি ইৰিবে কয় যে বিস্ফোৰণত প্ৰথমাৱস্থাত মৃত্যুৰ সংখ্যা কমি আছিল যদিও পাছলৈ বৃদ্ধি হয়৷ কেৰমান প্ৰদেশত সংঘটিত এই বিস্ফোৰণক কেৰমান প্ৰদেশৰ ৰাজ্যপালে সন্ত্ৰাসবাদীৰ আক্ৰমণ বুলি দাবী কৰিছে৷ ছ’চিয়েল মিডিয়াত প্ৰচাৰিত কিছু ভিডিঅ’ত ৰাস্তাত মৃতদেহ পৰি থকা দেখা যায়৷ উল্লেখ্য যে, ২০২০ চনৰ ৩ জানুৱাৰীত ড্ৰোন আক্ৰমণত জেনেৰেল কাচেম চোলেমাণিক হত্যা কৰিছিল আমেৰিকাই। জেনেৰেল চোলেমানিৰ হত্যাৰ চতুৰ্থ বাৰ্ষিকীত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ চাহাব আল-জামান মছজিদৰ ওচৰত শ শ লোকে পদযাত্ৰা কৰি আছিল। তেনে সময়তে পথত বিস্ফোৰণ ঘটে৷ এই বিস্ফোৰণত প্ৰথমে ২০ জন লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছিল৷ ইৰাণৰ সংবাদ মাধ্যমত মৃত্যুৰ সংখ্যা ৫০ জন বুলি কোৱা হৈছিল যদিও মৃত্যুৰ সংখ্যা ১০৩লৈ বৃদ্ধি পাইছে৷ চৰকাৰী সংবাদ সংস্থা নুৰ নিউজে কয় যে উদ্ধাৰকাৰী দলে আহতসকলক সহায় কৰিবলৈ তৎপৰ হৈ পৰিছে। ১৯৫৭ চনৰ ১১ মাৰ্চত জন্মগ্ৰহণ কাৰ কাচেম চোলেমানি শক্তিশালী ইৰাণী সামৰিক বিষয়া আছিল৷ দীৰ্ঘ সময় ইছলামিক ৰিভলিউচনৰী গাৰ্ড কৰ্পছৰ সৈতে জড়িত আছিল৷ কুদ্দছ ফ'ৰ্চৰ কমাণ্ডাৰ আছিল৷ কুদ্দছ হৈছে ইছলামিক ৰিভলিউচনৰী গাৰ্ড কৰ্পছৰ এটা বিভাগ৷ যিয়ে মুখ্যতঃ গোপন সামৰিক অভিযানৰ বাবে দায়বদ্ধ। ১৯৯৮ চনৰ পৰা ২০২০ চনলৈ কৰ্পছৰ শক্তিশালী পদবীত কাৰ্যনিৰ্বাহ কৰি আছিল৷ আমেৰিকা যুক্তৰাষ্ট্ৰই ২০২০ চনৰ ৩ জানুৱাৰীত তেওঁক হত্যা কৰে৷ ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খোমেইনিৰ পাছতে ছোলেমানিক শক্তিশালী ব্যক্তি হিচাপে গণ্য কৰা হৈছিল। উল্লেখ্য যে হামাছক সমৰ্থন আগবঢ়োৱাক লৈ ইৰাণৰ সৈতে ইজৰাইলৰো দূৰত্ব বৃদ্ধি পাইছে।



**ইৰাণৰ কেৰমান প্ৰদেশত ভয়াৱহ বিস্ফোৰণৰ পিছৰ দৃশ্য, বুধবাৰে**

# জয়ৰ ৰণকৌশল প্ৰস্তুতত ব্যৰ্থ বিৰোধী!

## ডিম্বেশ্বৰ শৰণীয়া

**২০২৪ৰ লোকসভা** নিৰ্বাচন সমাগত। লোকসভা নিৰ্বাচনৰ জৰিয়তে কেন্দ্ৰীয় ক্ষমতা কুক্ষীগত কৰাৰ স্বাৰ্থত শাসক-বিৰোধী সকলোৱে নিৰ্বাচনী ৰণকৌশল ইতিমধ্যে আৰম্ভ কৰিছে। আৰম্ভণিতেই ক্ষমতা কুক্ষীগত কৰাৰ স্বাৰ্থত বুলি এই কাৰণেই উল্লেখ কৰিছোঁ যে যিয়ে যিমানে টেটুফালি চিঞৰ-বাখৰ কৰি ক'ব বিচাৰিলেও বৰ্তমান সময়ত ৰাজনীতিটো সমাজ সেৱাৰ পৰিবৰ্তে ঘৰ সেৱাৰ এটা উত্তম পন্থাহে হৈ পৰিছে। সেয়েহে নেতাই যিকোনো প্ৰকাৰে ক্ষমতাত বৰ্তি থাকি ৰাজকীয় সুখ ভোগ কৰিব বিচাৰে। এতিয়া আহো মূল কথালৈ। ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ আগে আগে কেন্দ্ৰত চৰকাৰ আছিল কংগ্ৰেছ তথা ইউপিএৰ। প্ৰধানমন্ত্ৰী যদিও ড০ মনমোহন সিং আছিল, চৰকাৰ পৰিচালনাৰ মূল লেকাম আছিল কিন্তু ছোনীয়া গান্ধীৰ হাততহে। এয়া হ'ল সৰ্বজন বিদিত আৰু অপ্ৰিয় হ'লেও সত্য কথা। ২০০৪ চনৰ পৰা ২০১৪ চনলৈ কংগ্ৰেছৰ এই ১০ বছৰীয়া শাসনকালৰ প্ৰথম সময়চোৱাত ভাৰতবাসী ৰাইজে ভালেই পাইছিল। সুখেই অনুভৱ কৰিছিল। একপ্ৰকাৰ সন্তুষ্ট আছিল যেন অনুভৱ হৈছিল। যদিওবা বৈদেশিক নীতিৰ ক্ষেত্ৰত দুৰ্বল আছিল বা কুটনৈতিক ক্ষেত্ৰত চৰকাৰখনে ইমান এটা সফল হ'ব পৰা নাছিল। এনেকৈয়ে সময়ৰ লগে লগে দহ বছৰীয়া কাৰ্যকালৰ শেষৰ সময়চোৱাত যেন বহুবোৰ অনাহুত কাৰ্যই গা কৰি উঠিবলৈ লৈছিল। জনগণৰ সমস্যাসমূহ যেন শাসকীয় দলৰ উলাহত তল পৰিবলৈ ধৰিছিল। বিজেপি দলে ইয়াৰ পূৰ্ণ সুযোগ বুজি নৰেন্দ্ৰ মোদী ডাঙৰীয়াক আগত ৰাখি নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। সমগ্ৰ ভাৰত বৰ্ষতেই যেন সেই সময়ত কেৱল মোদী ঢৌ। আৰু সেই মোদী ঢৌতেই উটি-ভাহি গৈছিল কংগ্ৰেছ তথা ইউ পিএৰ চৰকাৰ। আৰু আশা কৰা মতেই কংগ্ৰেছ তথা ইউপিএৰ বিকল্প হিচাপে জনগণে লাভ কৰিলে মোদীৰ নেতৃত্বৰ চৰকাৰ। প্ৰধান মন্ত্ৰীৰ আসনত নৰেন্দ্ৰ মোদী। ৰাইজৰ আশা নিৰ্বাচনী সভাসমূহত গুৰু-গম্ভীৰ স্বৰেৰে গদ্ গদ্ কথাৰে দিয়া ভাষণ আৰু প্ৰতিশ্ৰুতিসমূহ। সুচাৰুৰূপে কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতি। বিদেশী ৰাষ্ট্ৰৰ বেংকত অবৈধ ভাবে ৰখা ক'লা ধন ঘূৰি আহিব। কংগ্ৰেছৰ দিনত হৈ থকা মূল্যবৃদ্ধি হ্ৰাস হ'ব। দুৰ্নীতি নাথাকিব। বিদেশী সমস্যাৰ সমাধান হ'ব। দেশৰ পৰা দাৰিদ্ৰতা দুৰ হ'ব। ইত্যাদি ইত্যাদি বহু প্ৰতিশ্ৰুতি। পিছে কংগ্ৰেছ চৰকাৰৰ দৰেকৈ মোদী নেতৃত্বৰ বিজেপি চৰকাৰৰ এই দহ বছৰীয়া কাৰ্যকালত তেনে কিবা পৰিবৰ্তন হোৱা ৰাইজে দেখিলেনে? নাই দেখা। পেট্ৰোল-ডিজেলৰ দাম কমিলনে নে? গেছৰ দাম কমিল নে? চাউল, আলু, দালি, পিঁয়াজ, তেল, চেনী আদিকে ধৰি চাবোন, কলগেট, আদিকে ধৰি জীৱন দায়িনী ঔষধৰ দাম কমিল নে? আন্তঃৰাষ্ট্ৰীয় সীমাৰেই সমস্যা সমাধান হ'ল নে? নিৰ্বাচনী সভাসমূহত দিয়া ভাষণৰ প্ৰতিশ্ৰুতি অনুসৰি বাংলাদেশীসকলক টালি-টোপোলা বান্ধি সীমা পাৰ কৰি পঠিওৱা হ'ল নে? বিদেশৰ একাউণ্টত থকা কলা ধনেই ঘূৰি আহিল নে? এই সকলোবোৰ দেখোন এতিয়া কেৱল মাত্ৰ নিৰ্বাচনী সভাসমূহত ভাষণ দিওতে ওলোৱা ফেন খিনিৰ দৰেকৈ পকেটৰ ৰুমালতেই নোহোৱা হোৱাৰ দৰেহে হ'ল। বৰঞ্চ সম্পূৰ্ণ ওলোটাহে হৈছে। নদী বান্ধৰ কথাটো নকলোৱেই যেনিবা! অৱশ্যে মোদী চৰকাৰে কংগ্ৰেছ চৰকাৰৰ দিনতকৈ বৈদেশিক সম্পৰ্কত বহুখিনি উন্নত কৰিব পাৰিছে যেন আমাৰ মনে ধৰে। লগতে দাৰিদ্ৰ লোকসকলৰ বাবে আৱণ্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধিনৰ হিতাধিকাৰীৰ ঘৰসমূহ নিৰ্মাণৰ ক্ষেত্ৰতো ত্বৰান্বিত গতি লাভ কৰাব পাৰিছে। বাকী 'হৰ ঘৰ নল, হৰ ঘৰ জল', নিবনুৱাৰ সমস্যাৰ সমাধান, ডিজিটেল ভাৰত এই সকলোবোৰ মিছা ভেঁকোভাওনা। এই সকলোবোৰ বাদ দিয়ো যদি আমি অসমৰ মুখ্যমন্ত্ৰী তথা নেডাৰ আহ্বায়ক ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনলৈয়ে চাও তেতিয়া তেখেতৰ চৰকাৰ সফল হৈছে বুলি ক'ব পৰা যায় নে? এক কথাত ক'বলৈ গলে মুঠেও সফল হোৱা বুলি ক'ব পৰা নাযায়। যদিওবা মুখ্যমন্ত্ৰীৰ নেতৃত্বতেই অসম প্ৰদেশ বিজেপি দলে লোকসভা নিৰ্বাচনৰ বাবে সাজু হৈছে। ভিতৰি ভিতৰি উমি উমি জ্বলি থকা দলীয় ক্ষমতা কেন্দ্ৰীক জুই একুৰা কিন্তু কেতিয়াবা কেতিয়াবা ভম্‌ককৈ জ্বলিবলৈ আৰম্ভ কৰে। লগতে একাংশ দলীয় সতীৰ্থ কৰ্মীৰ হাতেৰে মেলি দিয়া চাকৰীৰ বজাৰখনৰো বহু পুঠি-খলিহনা আৰক্ষীৰ হাতত ইতিমধ্যে ধৰা পৰাৰ লগতে কোনোৱে আকৌ আত্মহত্যাই কৰিছে। এই সকলোবোৰ তলত পেলাই মুখ্যমন্ত্ৰী ডাঙৰীয়াই হিচাপৰ দলীয় সাংসদ কেইগৰাকী বিজয়ী কৰাই নিয়াৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাব ই নিশ্চিত। কিন্তু এনেবোৰ দলীয় অন্তঃকন্দলৰ লগতে শাসকীয় দলে চলাই থকা অৰাজকতাৰ বিৰুদ্ধে বিৰোধী পক্ষই সুযোগ বুজি ভূমিকা গ্ৰহণ কৰিব নে মুখ চুপুতি মাৰিয়েই সময় পাৰ কৰিব সেয়াহে হ'ব লক্ষণীয়। কাৰণ একাংশই মানিলে বা নামানিলেও বৰ্তমান সময়ত শাসকীয় পক্ষক লৈ ৰাইজ সন্তুষ্ট নহয়। এইবাৰ মোদী ঢৌ বা মোদী মেজিকে বৰ এটা কামত দিব বুলি শাসক পক্ষই আশা নকৰাটোৱেই ভাল। ইফালে আকৌ হিন্দু-মুছলিমৰ ৰাজনীতিত সচেতন ৰাইজ অতিস্থ। সেয়েহে এতিয়া ৰাইজ বিকল্পৰ সন্ধানত। পিছে বিকল্প হিচাপে ৰাইজে আদৰিব কাক সেয়াহে যেন এতিয়াও ধুসৰ! এইখিনিতে অৱশ্যে এটা কথা উনুকিয়াব পাৰি যে কেইমাহমাহমান আগতে কেইখনমান ৰাজ্যত হৈ যোৱা নিৰ্বাচনী ফলাফলে বিজেপিৰ মনোবল যথেষ্ট বৃদ্ধি কৰা যেন আমাৰ অনুভৱ হয়। বিপৰীতে কিন্তু সন্মিলীত বিৰোধী পক্ষই নিৰ্বাচনত জিকিব পৰাকৈ নিৰ্বাচনী ৰণকৌশল প্ৰস্তুত কৰিব পাৰিছে যেন আমাৰ মনে নধৰে।

বুধবাৰ,
৩ জানুৱাৰী, ২০২৪।।
নিশা ১০ বজা

# কাৰ ভুলৰ বাবে দুৰ্ঘটনা?

পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ বহু কাৰণ থাকিব পাৰে। পথৰ দুৰাৱস্থা, তীব্ৰ গতিবেগ, সুৰাসক্ত হৈ বাহন চলোৱা, অনাভিজ্ঞ বাহন চলোৱা আদি অনেক কাৰণত ভাৰতত প্ৰতিদিনেই সংঘটিত হয় সৰু-বৰ একাধিক দুৰ্ঘটনা। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ তথ্য অনুসৰি ভাৰতত ২০২১ চনত মুঠ পথ দুৰ্ঘটনা সংঘটিত হৈছিল ১,২৮,৮২৫টা। এই দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছিল ৫৬,০০৭ জন লোকে। একেদৰে ২০২২ চনত আৰু ২০২৩ চনত সংঘটিত মুঠ পথ দুৰ্ঘটনাৰ সংখ্যা আছিল ৪,৬৩,৩১২ টা আৰু ৫ লাখ। দুয়োটা বছৰত পথ দুৰ্ঘটনাত পতিত হৈ মৃত্যুক সাৱটিছিল ক্ৰমে- ১,৬৮,৪৯১ আৰু ১,৮০,০০০ জন লোকে। এই চৰকাৰী তথ্যলৈ লক্ষ্য কৰিলে এই কথা স্পষ্ট হৈ পৰে যে পথ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে চৰকাৰে যিমানেই পদক্ষেপ গ্ৰহণ নকৰক কিয়, বাস্তৱক্ষেত্ৰত দুৰ্ঘটনা আৰু নিহতৰ সংখ্যা পূৰ্বৰ তুলনাত ক্ৰমাগতভাৱে বৃদ্ধিহে পাইছে। তথ্য অনুসৰি, ২০২১ চনত অসমত সংঘটিত পথ দুৰ্ঘটনাৰ সংখ্যা আছিল ৭ হাজাৰ টা। এই দুৰ্ঘটনাত প্ৰাণহানি হৈছিল ৩০৪০ জন লোকৰ। একেদৰে ২০২২ চনত সংঘটিত ৬৯০০ টা পথ দুৰ্ঘটনাত মৃত্যু ঘটে ২,৬৩০ জনৰ। ২০২৩ চনত সংঘটিত হয় ৮১০০ টা দুৰ্ঘটনাই প্ৰাণ কাঢ়ি নিয়ে ৩২০০ জন লোকৰ। প্ৰতিটো ডাঙৰ দুৰ্ঘটনাৰ পিছতে দুৰ্ঘটনাৰ কাৰণ বিচাৰি জনতাক আশ্বস্ত কৰে চৰকাৰে। প্ৰতিশ্ৰুতি দিয়া হয় দুৰ্ঘটনা প্ৰতিৰোধৰ। ট্ৰেফিক আইন অধিক কঠোৰ কৰি আইন অমান্য কৰাসকলক জৰিমনাও বিহা হয়। কিন্তু পৰিণতি প্ৰতিবাৰেই একেই থাকে। দুৰ্ঘটনা প্ৰতিৰোধ নহয়, বৰং বাঢ়েহে।

বিশেষ খবৰ

# ডঃ দীনেশ বৈশ্যৰ ওপজা দিনত গ্ৰন্থক লৈ বিশেষ আলোচনা

## স্বৰচিত ২খনকৈ গ্ৰন্থও উন্মোচন

**ই-সংবাদ, ৩ জানুৱাৰীঃ** বিশিষ্ট বুদ্ধীজীৱী, বি. বৰুৱা কলেজৰ প্ৰাক্তন অধ্যক্ষ ডঃ দীনেশ বৈশ্যৰ ওপজা দিনটোত আজি গুৱাহাটী প্ৰেছ ক্লাৱত তেখেতৰ দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়৷ প্ৰেছ ক্লাৱত অনুষ্ঠিত আড়ম্বৰপূৰ্ণ অনুষ্ঠানত দুখনকৈ গ্ৰন্থ উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ সাংবাদিক কনক সেন ডেকা আৰু দৈনিক অসম কাকতৰ সম্পাদক ডঃ হিতেশ ডেকাই। অবাক প্ৰকাশন আৰু প্ৰকাশক জে পি শৰ্মাই প্ৰকাশ কৰি উলিওৱা ‘Indigenous Metallurgy & Metal Wares of North East India’ আৰু ‘বি বৰুৱা কলেজ’ নামৰ গ্ৰন্থ দুখন আজি বিশেষ দিনটোত পঢ়ুৱৈৰ হাতত তুলি দিয়ে ডঃ দীনেশ বৈশ্যই৷ কবি কমল কুমাৰ মেধিয়ে পৰিচালনা কৰা অনুষ্ঠানটো ডঃ দীনেশ বৈশ্যৰ পত্নী ডঃ ৰাণু বৈশ্যই এটি সুমধুৰ গীতেৰে শুভাৰম্ভ কৰে। অগ্ৰদূত কাকতৰ মুখ্য সম্পাদক কনক সেন ডেকাই কয় যে ডঃ বৈশ্য সামাজিকভাৱে দায়বদ্ধ লেখক। আন এগৰাকী গ্ৰন্থ উন্মোচক ডঃ হিতেশ ডেকাই তেখেতৰ সৃষ্টিক প্ৰশংসা কৰি দুয়োখন গ্ৰন্থই সমাজক ভাল বাৰ্তা দিব বুলি মত ব্যক্ত কৰে৷ সভাত ‘অসমীয়া মানুহে কিতাপ নপঢ়ে’ শীৰ্ষক আলোচনা চক্ৰও অনুষ্ঠিত হয়৷ আলোচনাচক্ৰত অনুবাদক অৱনী বুঢ়াগোহাই, লেখক টুনুজ্যেতি গগৈ, পাপৰি সৌকাধৰা বৰঠাকুৰ প্ৰকাশক প্ৰশান্ত বৰা, সাংবাদিক মৃদুল কুমাৰ সন্দিকৈ উপস্থিত থাকে৷

মহানগৰ সংবাদ

# দ্বাৰকা নগৰত ষ্ট্ৰীট লাইটৰ অভাৱ, বৃদ্ধি অসামাজিক কাৰ্যকলাপ

**মহানগৰৰ প্ৰতিবেদক, ৩ জানুৱাৰীঃ** মহানগৰীৰ দিছপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ছয়মাইল দ্বাৰকা নগৰত ষ্ট্ৰীট লাইটৰ অভাৱত সাধাৰণ নাগৰিক সমস্যাৰ সন্মুখীন হৈ আহিছে। দীৰ্ঘদিন ধৰি দ্বাৰকা নগৰৰ বিভিন্ন উপপথসমূহত ষ্ট্ৰীট লাইট নথকাৰ ফলত পথচাৰীসকল অসুবিধাৰ সন্মুখীন হোৱাৰ লগতে একাংশ উপপথত ষ্ট্ৰীট লাইট নথকাৰ সুযোগ লৈ দুষ্টচক্ৰই অসামাজিক কাৰ্যকলাপত লিপ্ত হোৱাৰ অভিযোগ উঠিছে। আনহাতে কিছুমান অঞ্চল একাংশ উদণ্ড যুৱকে ড্ৰাগছ আৰু মদ সেৱনৰ ঘাটিত পৰিণত কৰাত পথেৰে অহাযোৱা কৰা লোকসকল শংকিত হৈ পৰিছে। বৃহত্তৰ অঞ্চলটোৰ ঠাইবিশেষে দুই এটা ষ্ট্ৰীট লাইট আছে যদিও সেয়া পৰ্যাপ্ত নহয়। আনহাতে একাংশ এলেকাত ষ্ট্ৰীট লাইট থকাৰ পিছতো সেয়া মেৰামতিৰ অভাৱত থাকিও কাম নোহোৱাৰ লেখিয়া হৈছে। এই অঞ্চলটোৰ নাগৰিকসকলৰ বৃহত্তৰ স্বাৰ্থত অতি সোনকালে সমগ্ৰ দ্বাৰকা নগৰত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে সমূহ দ্বাৰকা নগৰবাসীয়ে। উল্লেখ্য যে বিগত সময়ছোৱাত মহানগৰীৰ ভিন্ন প্ৰান্তত ষ্ট্ৰীট লাইট নথকা ঠেক গলিসমূহৰ ঘৰ আৰু দোকান-পোহাৰসমূহক লক্ষ্য কৰি লৈছে চোৰে। এনে অঞ্চলত বিভিন্ন অসামাজিক কামো সংঘটিত হৈ আহিছে।

বৰাকৰ খবৰ

# কাছাৰ আৰক্ষীৰ অভিযান, ১৭ চোৰক গ্ৰেপ্তাৰ

**ই-সংবাদ, শিলচৰ ৩ জানুৱাৰীঃ** নাগৰিকৰ সা-সম্পত্তি সুৰক্ষিত কৰিবলৈ নতুন বছৰৰ আৰম্ভণিতে বৰাকৰ কাছাৰ আৰক্ষী সক্ৰিয় হৈছে৷ কাছাৰ জিলাত সঘনাই চুৰি কাণ্ড সংঘটিত হোৱাত বিশেষ অভিযান আৰম্ভ কৰিছে আৰক্ষীয়ে৷ কাছাৰ জিলাৰ সদৰ শিলচৰত ২০ ঘণ্টাৰ ভিতৰত ১৭ জন চোৰক গ্ৰেপ্তাৰ কৰিলে সক্ষম হৈছে আৰক্ষী। এমাহ ধৰি শিলচৰ চহৰত চোৰে উপদ্ৰৱ চলাই আহিছে। চহৰখনৰ প্ৰতিটো প্ৰান্তত নিশা চুৰি কাণ্ড সংঘটিত হৈ আহিছে৷ আৰক্ষীক প্ৰত্যাহ্বান জনাই চুৰি কাণ্ড সংঘটিত কৰি অহাত চোৰৰ বাবে শংকিত হৈছিল নাগিৰকা তাৰ পাছতে আৰক্ষী অধীক্ষক নোমল মহাতোৰ নেতৃত্বত পাঁচটা আৰক্ষীৰ দলে শিলচৰ চহৰৰ ৰংপুৰ, তাৰাপুৰ, মালুগ্ৰাম, মধ্যচহৰ, গকলেজ ৰোড আৰু নিউ শিলচৰ অঞ্চলত আৰক্ষীয়ে অভিযান আৰম্ভ কৰে৷ এই অভিযানত সমগ্ৰ চহৰখনৰ পৰা ১৭ চোৰক গ্ৰেপ্তাৰ কৰিলৈ সক্ষম হৈছে কাছাৰ আৰক্ষী৷ চহৰখনৰ বিভিন্ন অঞ্চলৰ পৰা ১৭ চোৰক গ্ৰেপ্তাৰ কৰি আৰক্ষীৰ জিম্মাত লৈ জেৰা চলোৱা হ’ব বুলি কয় আৰক্ষী অধীক্ষক নোমল মহাতোৱে৷ উল্লেখ্য যে বৰাকৰ ভিন্ন প্ৰান্তত বিগত কেইবামাহো ধৰি দুষ্ট চক্ৰই একাধিক অনৈতিক কাম-কাজ সংঘটিত কৰি আহিছে। ঠায়ে ঠায়ে ড্ৰাগছৰ ব্যৱসায়ো গঢ় লৈ উঠিছে।

শেষ পৃষ্ঠা

# দ্বিতীয় টেষ্ট

## বৃহৎ অগ্ৰগতি লোৱাত ব্যৰ্থ ভাৰত

**কেপ টাউন, ৩ জানুৱাৰীঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলিত টেষ্ট শৃংখলাৰ আজিৰে পৰা কেপ টাউনত আৰম্ভ হোৱা দ্বিতীয় টেষ্ট বৃহৎ অগ্ৰগতি লোৱাত ব্যৰ্থ হয় টিম ইণ্ডিয়া। টচত জয়ীহৈ প্ৰথম বেটিং কৰাৰ সিদ্ধান্ত লোৱা ঘৰুৱা দলটোৱে ভাৰতীয় পেচ আক্ৰমণৰ ওচৰত সম্পূৰ্ণৰূপে আত্মসমৰ্পন কৰে। দক্ষিণ আফ্ৰিকাৰ বেটিং স্তম্ভ তাচ পাতৰ দৰে ভাঙি পৰে। ইয়াৰ মূলত আছিল মহম্মদ ছিৰাজৰ ক্ষুৰধাৰ বলিং। তেওঁ মাত্ৰ ১৬ ৰাণৰ বিনিময়ত দখল কৰে ছয়টা উইকেট। তেওঁক পূৰ্ণ সহযোগ কৰে জচপ্ৰীত বুমৰাহ (২/২৫) আৰু মুকেশ কুমাৰে (২/০)। ইয়াৰ ফলত মাত্ৰ ২৩.২ অভাৰতে ইনিংছ সামৰি দক্ষিণ আফ্ৰিকা সংগ্ৰহ কৰে ৫৫ ৰাণ। প্ৰত্যুত্তৰত ভাৰতে ৩৪.৫ অভাৰত ১৫৩ কৰিবলৈ সক্ষমহৈ বৃহৎ অগ্ৰগতি লোৱাত ব্যৰ্থ হয়। দলৰহৈ বিৰাট কোহলীয়ে সৰ্বোচ্চ ৪৬ ৰাণ কৰে। উল্লেখ্য যে ভাৰতৰ অন্তিম ৬ উইকেট কোনো ৰাণ নকৰাকৈয়ে পতন ঘটে।

## অষ্ট্ৰেলিয়াত জক'ভিচৰ জয়ৰ ধাৰা ব্যাহত

**পাৰ্থ, ৩ জানুৱাৰীঃ** ছয় বছৰত অষ্ট্ৰেলিয়াৰ মাটিত প্ৰথম বাৰৰ বাবে পৰাস্ত হৈছে ছাৰ্বিয়ান টেনিছ তাৰকা ন'ভাক জক'ভিচ। আজি তেওঁ ইউনাইটেড কাপ টেনিছ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত এলেক্স ডি মিনাউৰৰ হাতত ৬-৪, ৬-৪ ছেটত পৰাস্ত হয়। এয়া আছিল বছৰটোত জক'ভিচৰ প্ৰথম পৰাজয়। উল্লেখ্য যে বিগত ছয় বছৰে তেওঁ অষ্ট্ৰেলিয়াৰ মাটিত এখনো খেলত পৰাজিত হোৱা নাছিল।




■ গ্ৰন্থ বিষয়ক আলোচনা আৰু গ্ৰন্থ উন্মোচনৰে বুধবাৰে গুৱাহাটী প্ৰেছ ক্লাৱত ড০ দীনেশ বৈশ্যৰ ওপজা দিন পালন

# সুন্দৰী মডেল পাহুজাৰ ৰহস্যজনক মৃত্যু, তীব্ৰ চাঞ্চল্য

**অনলাইন ফিচাৰ্ছ, ৩ জানুৱাৰীঃ** ২০১৬ চনত আৰক্ষীৰ 'ভুৱা এনকাউণ্টা'ত নিহত হোৱা গেংষ্টাৰ সন্দীপ গাডোলি হত্যাকাণ্ডৰ অন্যতম সাক্ষী এগৰাকী মডেলৰ ৰহস্যজনক মৃত্যুৱে সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। মঙলবাৰে গুৰুগ্ৰামত মডেল দিব্যা পাহুজাৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱাৰ পিছতে বৃদ্ধি পাইছে উত্তেজনা। ইফালে দিল্লীৰ ব্যৱসায়ী অভিজিত সিঙৰ বিৰুদ্ধে উত্থাপন হৈছে ২৭ বৰ্ষীয় মডেল গৰাকীক হত্যাৰ অভিযোগ। জানিব পৰা মতে, গেংষ্টাৰ সন্দীপ গাডোলিৰ প্ৰেয়সী আছিল দিব্যা পাহুজা। ২০১৬ চনত দুয়ো মুম্বাইৰ এখন হোটেলত থকাৰ সময়তে হাৰিয়ানা আৰক্ষীয়ে কোঠাৰ ভিতৰত প্ৰৱেশ কৰি কৰা গুলীবৰ্ষণত মৃত্যু ঘটিছিল সন্দীপৰ। এই ঘটনাৰ পিছত আৰক্ষীয়ে আত্মৰক্ষাৰ



বাবে গুলীচালনা কৰা বুলি দাবী কৰিছিল যদিও নিৰস্ত্ৰ সন্দীপ গাডোলিক পৰিকল্পিতভাৱে হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছিল। এই ঘটনাৰ পিছত কাৰাবাস খাটি যোৱা বছৰ জামিনত মুকলি হৈ আহিছিল দিব্যা। পিছত সন্দীপ হত্যাকাণ্ডৰ মুখ্য সাক্ষী হৈছিল মডেলগৰাকী। দিব্যাৰ ভগ্নীয়ে অভিযোগ কৰে যে তেওঁৰ ভগ্নীয়ে ২ জানুৱাৰীত ব্যৱসায়ী অভিজিত সিঙৰ সৈতে ওলাই গৈছিল। গুৰুগ্ৰামৰ এখন হোটেলৰ স্বত্বাধিকাৰ অভিজিতে মডেলগৰাকীক পৰিকল্পিতভাৱে হত্যা কৰাৰ সন্দেহ কৰা হৈছে। ইফালে আৰক্ষীয়ে তদন্ত চলাই অভিজিতৰ হোটেলৰ চিচি টিভি কেমেৰাতো অভিজিতে দিব্যাৰ মৃতদেহ চোঁচৰাই নিয়াৰ দৃশ্য প্ৰত্যক্ষ কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান